জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১০/২০২০

# অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় প্ৰতিনিধি তথা শাখা সমূহৰ প্ৰতিনিধিৰ উপস্থিতিত মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰিলে চাহ জনগোষ্ঠীৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন কল্যাণকামী আঁচনিৰ

**চৰকাৰে চাহ জনগোষ্ঠীৰ বাবে গ্ৰহণ কৰা সক্ৰিয় পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জনালে অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰে**

**আঁচনি সমূহৰ সঠিক ৰূপায়ণেৰে চাহ জনগোষ্ঠীৰ সৰ্বাংগীন উত্তৰণ সাধনৰ লক্ষ্য পূৰণৰ দিশত সৰ্বতোপ্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে অসম চাহ মজদুৰ সংঘৰ প্ৰতিনিধিৰ লগতে শাখা সমূহৰ প্ৰতিনিধি বৰ্গক মুখ্যমন্ত্ৰীৰ আহ্বান**

**দিছপুৰ, ১১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগ আৰু চাহ জনজাতি কল্যাণ বিভাগে অসম শ্ৰমিক ৱেলফেয়াৰ চ'ছাইটিৰ সহযোগত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজন কৰা চাহ জনজাতিৰ জনসাধাৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ ওপৰত আয়োজিত আলোচনা চক্ৰত অধ্যক্ষতা কৰি কয় যে বৰ্তমানৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে ২০১৬ বৰ্ষত ক্ষমতাত অধিস্থিত হোৱাৰ পৰা চাহ জনগোষ্ঠীৰ শৈক্ষিক, স্বাস্থ্য ইত্যাদিকে ধৰি সৰ্বাংগীন উন্নয়নৰ বাবে বিভিন্ন জনকল্যাণকামী আঁচনি গ্ৰহণ কৰিছে। এইবোৰৰ লক্ষ্য এটাই, সেয়া হৈছে ইমান দিনে অৱহেলিত হৈ থকা চাহ জনগোষ্ঠীৰ সৰ্বাংগীন কল্যাণ সাধনেৰে জনগোষ্ঠীটোক সকলো দিশতে শক্তিশালী কৰা। সেয়েহে ৰাজ্য চৰকাৰে পোন প্ৰথমবাৰৰ বাবে চাহ জনগোষ্ঠীৰ জীৱন ধাৰাৰ সৈতে একাত্মভাৱে জড়িত থকা অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধিৰ লগতে ইয়াৰ বিভিন্ন শাখা সমূহৰ প্ৰতিনিধি সকলকো এই বৈঠকত আমন্ত্ৰণ কৰি আনিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয় যাতে চাহ জনগোষ্ঠীৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনি সম্পৰ্কত তৃণমূল পৰ্যায়লৈকে উপযুক্ত জনসচেতনতাৰ সৃষ্টি হয়। চৰকাৰৰ আমন্ত্ৰণক্ৰমে বৈঠকত অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় প্ৰতিনিধিকে ধৰি বিভিন্ন শাখাৰ প্ৰতিনিধি সকলে অংশ গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰাৰ উপৰি অসম চাহ মজদুৰ সংঘক এই আঁচনি ৰূপায়ণ  সম্পৰ্কত চৰকাৰৰ সৈতে সকলো ক্ষেত্ৰতে সহযোগিতা আগবঢ়াই চাহ জনগোষ্ঠীৰ জনসাধাৰণক সৰ্বাত্মক ৰূপত উপকৃত কৰাৰ দিশত সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে চাহ জনগোষ্ঠীৰ জনসাধাৰণক বৰ্তমানৰ চৰকাৰখনে স্বচ্ছ আৰু নিকা মানসিকতাৰে কোনো ধৰণৰ বৈষম্যৰ আশ্ৰয় নোলোৱাকৈ উপকৃত কৰাৰ পদক্ষেপ লৈছে। চাহ জনগোষ্ঠীৰ যুৱ প্ৰজন্মৰ মাজত যথেষ্ট প্ৰতিভা আছে বুলি উল্লেখ কৰি এই জনগোষ্ঠীটোক প্ৰাণৱন্ত কৰাৰ দিশত চৰকাৰৰ লগতে সকলোৱে মিলিত প্ৰয়াসত অৱতীৰ্ণ হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বৰ্তমানৰ চৰকাৰখনে চাহ বাগিচাৰ চিলিং উদ্বৃত্ত ভূমিত জৰিপ চলোৱাৰ পদক্ষেপ লৈছে যাতে এই ভূমি চাহ জনগোষ্ঠীৰ লোকৰ হাতত তুলি দিব পৰা যায়। কিন্তু এচাম দুষ্ট চক্ৰই এই দিশৰ লগতে বিভিন্ন দিশত নানা

অপপ্ৰচাৰ চলাই চাহ জনগোষ্ঠীৰ শান্তিপ্ৰিয় জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ প্ৰয়াস চলাইছে। এই অপপ্ৰচাৰৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখি চৰকাৰী পদক্ষেপৰ প্ৰতি সহযোগিতা আগবঢ়োৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে গ্ৰহণ কৰা প্ৰতিখন আঁচনি সম্পৰ্কত উপযুক্ত সজাগতা সৃষ্টিৰ বাবে অসম চাহ মজদুৰ সংঘৰ প্ৰতিটো শাখাই গুৰুত্ব প্ৰদান কৰিব লাগিব। এই ক্ষেত্ৰত নিৰীক্ষণ ব্যৱস্থাটো শক্তিশালী কৰাৰ বাবে এক দায়বদ্ধ গোট এসপ্তাহৰ ভিতৰতে গঠন কৰি দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই গোটটোৱে আঁচনি সমূহ ৰূপায়ণত থকা বিভিন্ন আসোঁৱাহ পৰীক্ষা কৰি ইয়াৰ সমাধান সুত্ৰ উলিয়াব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰতিখন আঁচনি ৰূপায়ণৰ দিশত এক সুকীয়া কৰ্ম পদ্ধতি থাকিলে আঁচনি ৰূপায়ণৰ দিশত থকা সকলো কাৰিকৰী আসোঁৱাহ আতৰ কৰিব পৰা যাব বুলিও কয়।

অনুষ্ঠানত বক্তব্য ৰাখি অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰে বৰ্তমান চৰকাৰে চাহ জনগোষ্ঠীটোৰ সৰ্বাংগীন উত্তৰণৰ বাবে লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰাৰ উপৰি পোন প্ৰথমবাৰৰ বাবে অসম চাহ মজদুৰ সংঘৰ লগতে ইয়াৰ শাখা সমূহৰ প্ৰতিনিধিৰ সৈতে এনেধৰণৰ বৈঠক অনুষ্ঠিত কৰাৰ পদক্ষেপ লোৱাৰ বাবে মুখ্যমন্ত্ৰীৰ শলাগ লয়। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা প্ৰতিখন আঁচনিৰ সুফল যাতে লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰীসকলে লাভ কৰিব পাৰে তাৰ বাবে উপযুক্ত সজাগত সৃষ্টিৰ পদক্ষেপত তেওঁলোকে আন্তৰিকতাৰে সহযোগিতা আগবঢ়াব।

আজিৰ এই আলোচনা চক্ৰত চাহ জনজাতি কল্যাণ, শ্ৰমিক কল্যাণ বিভাগৰ প্ৰধান সচিব জে বি এক্কাই চাহ জনগোষ্ঠীৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনি সমূহৰ সঠিক আলোকপাতেৰে এক প্ৰেজেন্টেশ্যনো প্ৰদান কৰে।

মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত গড়কাপ্টানি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ পল্লৱ লোচন দাস, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক সকল ক্ৰমে চক্ৰধৰ গগৈ, ঋতুপৰ্ণ বৰুৱা, সঞ্জয় কিষাণ, ভাস্কৰ শৰ্মা, নৰনীতা সন্দিকৈ, অশোক সিংহাল, যোগেন মোহন, তেৰছ গোৱালা, ডাঃ নোমল মমিন, গণেশ লিম্বু, অসম চাহ মজদুৰ সংঘৰ ৰাজ্যিক সভাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱন সিং ঘাটোৱাৰকে ধৰি অসম চাহ মজদুৰ সংঘৰ বিষয়ববীয়া, অসম চাহ মজদুৰ সংঘৰ বিভিন্ন শাখাৰ প্ৰতিনিধি সকলকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ/**
**১১/১/২০২০**